# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২২ অক্টোবৰ ২০২১ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ সৰ্বোত্তম মৰ্যদা সম্পন্ন খলিফা ৰাশেদ ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলী সম্পৰ্কে বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যোৱা জুমাৰ খোতবাত হজৰত উমৰ (ৰাঃ)ৰ শ্বাহাদতৰ ঘটনা সম্পৰ্কে হজৰত উবেয়দুল্লাহ বিন উমৰ (ৰাঃ)আৰু হজৰত উচমান (ৰাঃ)ৰ পাৰস্পাৰিক মতবিৰোধ সম্পৰ্কে বৰ্ণনা কৰা হৈছিল। এই বিষয়ে আৰু বেছি অনুসন্ধান কৰি জানিব পৰা গৈছে যে যেতিয়া এখেত দুয়োৰে মাজত মতানৈক্য ঘটিছিল তেতিয়া হজৰত উচমান (ৰাঃ)য়ে খিলাফতৰ আসনত অধিষ্ঠিত হোৱা নাছিল। প্ৰথমে প্ৰথমে হজৰত উবেয়দুল্লাহ বিন উমৰ (ৰাঃ)য়ে সিদ্ধান্ত লৈছিল যে তেখেতে মদিনাত থকা সকলো কয়েদী আৰু গোলাম সকলক হত্যা কৰি পেলাব কিন্তু মুহাজেৰিণ চাহাবা সকলৰ বুজনিত এখেতে নিজৰ এই সিদ্ধান্ত বাতিল কৰে। যেতিয়া হজৰত উচমান (ৰাঃ)য়ে খলিফা হিচাপে নিৰ্বাচিত হয় তেতিয়া হজৰত উবেয়দুল্লাহ বিন উমৰ (ৰাঃ)ক হজৰত উচমান (ৰাঃ)ৰ আগত আনি পেশ কৰা হৈছিল। হজৰত আলি (ৰাঃ)য়ে হজৰত উবেয়দুল্লাক হত্যা কৰি পেলোৱাবৰ পৰামৰ্শ দিয়ে কিন্তু কিছুমান চাহাবায় উক্ত পৰামৰ্শৰ বিৰুদ্ধে ৰায় আগবঢ়াই কৈছিল যে যোৱা দিনটোত হজৰত উমৰ (ৰাঃ)য়ে শ্বহীদ হৈছে আৰু আজিয়ে তেখেতৰ পুত্ৰক হত্যা কৰা হ'ব,এয়া ধৈৰ্য্যাতীত আৰু অত্যাচাৰ কৰা হ'ব। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতে হজৰত উচমান (ৰাঃ)য়ে নিজৰ সম্পত্তিৰ পৰা নিহত সকলৰ তেজৰ দাম দিছিল।

ইতিহাস তিব্ৰি অনুযায়ী হজৰত উচমান (ৰাঃ)য়ে শাস্তি স্বৰূপে হজৰত উবেয়দুল্লাহ (ৰাঃ)ক হৰমুজানৰ পুতেকৰ হাতত গতাই দিছিল। যেতিয়া তেওঁ উবেয়দুল্লাহক হত্যা কৰিবলৈ লৈ যাব ধৰিছিল তেতিয়া লোক সকলে বাৰে বাৰে উবেয়দুল্লাক এৰি দিবলৈ অনুৰোধ জনাইছিল। যাৰ ফলত হৰমুজানৰ পুতেকে খোদা আৰু সেই লোকসকলৰ খাতিৰত উবেয়দুল্লাক এৰি দিয়ে। চুক্তিবদ্ধ নিহত কাফিৰৰ বাবে এজন মুছলমান ঘাতকক শাস্তি দিব পৰা যায়নে। এই মছলাটোৰ সমাধানাৰ্থে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এটা ঘটনাৰ বিতং ব্যাখ্যা কৰিছে। তাত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে উল্লেখ কৰিছে যে এই ৰিৱায়তৰ পৰা প্ৰমাণিত হয় যে চাহাবা সকলৰ মাজত এই নিয়মেই প্ৰচলিত আছিল যে তেওঁলোকে অমুছলিমৰ মুছলমান হত্যাকাৰীক মৃত্যুদণ্ড বিহিছিল।

হজৰত উমৰ (ৰাঃ)ৰ সততা,নম্ৰতা,বিনয় আৰু সৰলতাৰ মানদণ্ড ইমানেই উচ্চ আছিল যে তেখেতে মৃত্যুৰ

সময়ত নিজ পুত্ৰক কৈছিল যে মোৰ কফন মধ্যম ধৰণৰ ল'বা। যদি আল্লাহৰ ওচৰত মোৰ নিমিত্তে কল্যাণমণ্ডিত আছে তেন্তে মোক সেয়া উত্তম পোছাকত সলনি কৰি দিব আৰু মই যদি ইয়াৰ বহিৰ্ভূত হওঁ তেন্তে মোৰ পৰা কাঢ়ি ল'ব আৰু অতি সোনকালে কাঢ়ি ল'ব। আনহাতে মোৰ কবৰৰ ক্ষেত্ৰতও মধ্যম পন্থা অৱলম্বন কৰিবা। যদি আল্লাহৰ ওচৰত মোৰ বাবে তাত কল্যাণ আছে তেন্তে মোৰ কবৰ ইমানেই বিস্তৃত কৰি দিব যে যিমান দূৰলৈ মোৰ দৃষ্টি যায় আৰু যদি মই ইয়াৰ অন্যথা হওঁ তেন্তে সি মোৰ কবৰ মোৰ ওপৰত সংকীৰ্ণ কৰি দিব যেনিবা মোৰ কঁকাল ভাঙি যাব। তাৰ পিছত হ'ল মোৰ জানাজাৰ সৈতে কোনো মহিলাক লৈ নাযাবা। মোৰ বিষয়ে এনেকুৱা প্ৰশংসা নকৰিবা যিটো আচলতে মই কৰা নাই বা যি গুণ মোৰ মাজত নাই কাৰণ আল্লাহ তা'লাই মোক ভালদৰে জানে আৰু যেতিয়া তোমালোকে মোৰ জানাজা লৈ যাব ধৰিবা বেগেৰে খোজ দিবা। যদি মোৰ নিমিত্তে আল্লাহৰ ওচৰত কল্যাণ আছে তেন্তে তোমালোকে মোক সেই বস্তুৰ ফালেই পঠাই আছা যি মোৰ বাবে অতি উত্তম আৰু যদি ইয়াৰ অন্যথা হয় তেন্তে তোমালোকে নিজৰ কান্ধৰ পৰা এই বিপদক নমাই দিবা, যি তোমালোকে বৈ লৈ যাবা। ইয়াৰ ওপৰিও এয়া উল্লেখ পোৱা যায় যে হজৰত উমৰ (ৰাঃ)য়ে এয়া অচিয়ত কৰিছিল যে মোক কস্তুৰি (সুগন্ধি) আদিৰে গা ধুৱাই নিদিবা।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই সম্পৰ্কে বৰ্ণনা কৰিছে যে হজৰত উমৰ (ৰাঃ) এনেকুৱা এজন লোক আছিল যিজনে নিজৰ গোটেই জীৱনটো ইছলামী চৰিয়তৰ চিন্তা ভাৱনাত পাৰ কৰি দিছিল। এখেতে সকলো ক্ষেত্ৰতেই উচ্চ পৰ্যায়ৰ কুৰবানী আগবঢ়াইছিল। যদিও আমলৰ ফালেৰে তেখেতৰ কুৰবাণী হজৰত আবু বক্কৰ (ৰাঃ)ৰ কুৰবাণীৰ সমপৰ্যায়ৰ নাছিল তথাপি সদচ্ছা আৰু নিয়তৰ ফালেৰে সমপৰ্যায়ৰ আছিল। যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)ৰ মৃত্যু হৈছিল তেতিয়া হজৰত উমৰ (ৰাঃ)ৰ চকুলো বৈ গৈছিল আৰু তেখেত (ৰাঃ)য়ে কৈছিল খোদা তা'লাই আবু বক্কৰ (ৰাঃ)ৰ ওপৰত কল্যাণ বৰ্ষিত কৰক; মই কেইবাবাৰ চেষ্টা কৰিছিলোঁ যে মই তেখেততকৈ আগবাঢ়ি যাম কিন্তু কেতিয়াও সফল হ'ব পৰা নাই। এবাৰ ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল ধন-মাল লৈ আনা; এয়া শুনি মই মোৰ সম্পত্তিৰ আধা অংশ লৈ আনিছিলো আৰু ধাৰণা কৰিছিলোঁ যে আজি মই আবু বক্কৰ (ৰাঃ)তকৈ আগবাঢ়ি যাম। কিন্তু আবু বক্কৰ (ৰাঃ)য়ে মোৰ আগতেই গৈ হুজুৰ পাক (ছাঃ)ৰ ওচৰত উপস্থিত হৈছিল আৰু ৰছুলে কৰিম (ছাঃ)ৰ যিহেতু তেখেতে আত্মীয় আছিল সেয়ে তেখেত (ছাঃ)য়ে জানিছিল যে হজৰত আবু বক্কৰ (ৰাঃ)য়ে ঘৰত একো এৰি অহা নাই। গতিকে আঁহজৰত (ছাঃ)য়ে সুধিছিল হে আবু বক্কৰ ! ঘৰত কি ৰাখি আহিছা ? তেতিয়া হজৰত আবু বক্কৰে কৈছিল-ঘৰত খোদা আৰু তাৰ ৰছুলৰ নাম ৰাখি থৈ আহিছো। এই কথাখিনি কৈ হজৰত উমৰ (ৰাঃ)য়ে উচুপি উঠি কৈছিল তেতিয়াও মই তেখেততকৈ আগবাঢ়ি যাব পৰা নাছিলো। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কয় এয়াই আছিল তেখেত (ৰাঃ)ৰ কুৰবাণীৰ প্ৰকৃতি। হজৰত আবু বক্কৰ (ৰাঃ)য়ে আগতেই এনেদৰে কুৰবাণী দি থাকিছিল কিন্তু যেতিয়া বিশেষ সুবিধা আহিছিল যেতিয়া সকলো বস্তু আনি দি দিছিল। এফালে এই লোক সকলে আছিল আৰু আনফালে সেই লোক সকল আছিল, যিসকলে নিজৰ ধন-মালৰ দশমাংশও কুৰবাণী কৰিবলৈ ইচ্ছুক নাছিল; অথচ কৈছিল যে আমি উদং হৈ গলো।

হজৰত উমৰ (ৰাঃ)ৰ যেতিয়া মুমুৰ্ষ অৱস্থা আহি গৈছিল তেতিয়া তেখেতৰ চকুত বাৰে বাৰে টোপনীয়ে ছানি ধৰিছিল আৰু তেখেতে কৈছিল হে খোদা ! মই কোনো পুৰস্কাৰৰ অধিকাৰী নহও; মই কেৱল এয়াই বিচাৰো যে মই যেন শাস্তিৰ পৰা ৰক্ষা পাওঁ।

হজৰত ছুহেব (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ নমাজে জানাজা পঢ়াইছিল আৰু তেখেত (ৰাঃ)ক কবৰত

নমোৰা সকলৰ মাজত হজৰত উচমান (ৰাঃ)ছঈদ বিন জায়েদ (ৰাঃ),হজৰত আলি (ৰাঃ),হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ) ছঈদ বিন আবি উকাচ (ৰাঃ),হজৰত তালহা (ৰাঃ) আৰু কিছুমান চাহাবা সকলে অংশ লৈছিল। বিভিন্ন ৰিৱায়ত অনুযায়ী মৃত্যুৰ সময়ত হজৰত উমৰ (ৰাঃ)ৰ বয়স ৫৩ বছৰৰ পৰা ৬৫ বছৰৰ ভিতৰত হোৱা বুলি অনুমান কৰা হয়।

হজৰত আকদছ মছীহ মাওউদ (আঃ)য়ে কৈছে যে মুত্তাকী সকলৰ ক্ষেত্ৰত দফনও এটা আল্লাহৰ নিয়ামত। যিজন ব্যক্তি পূৰ্ণ আন্তৰিকতাৰে আল্লাহৰ আঁচলৰ সৈতে সংযুক্ত হয় তাক আল্লাহ তালা কেতিয়াও অসফল নকৰে। আবু বক্কৰ আৰু উমৰৰ সততা আৰু একাগ্ৰতা ইমানেই উচ্চ পৰ্যায়ৰ আছিল যে এওঁলোক দুয়ো এনেকুৰা মোবাৰক কবৰত সমাধিস্থ হৈছে যে যদি মুছা আৰু ঈছা জীৱিত থাকিলহেঁতেন তেন্তে নিশ্চয় অতি আনন্দৰ সৈতে তাতে সমাধিস্থ হোৱাৰ আশা কৰিলেহেঁতেন।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে যেতিয়া হজৰত উমৰ (ৰাঃ)ৰ মুমুৰ্ষ অৱস্থা আহি পৰিছিল তেতিয়া তেখেত (ৰাঃ)য়ে ইখিনি কথালৈ বৰ ব্যাকুলতা প্ৰকাশ কৰিছিল যে তেখেতে যেন ৰছুলে কৰিম (ছাঃ)ৰ শ্ৰীচৰণত ঠাই পায়। হজৰত উমৰ (ৰাঃ) এজন সেই মানৱ আছিল,যাৰ সম্পৰ্কে ঈছাই ইতিহাস লিখোতা সকলেও লিখিছে যে তেখেতে এনেকুৰা সাম্ৰাজ্য গঢ়ি থৈ গৈছে যে পৃথিৱীত দ্বিতীয় আৰু কোনেও গঢ়িব পৰা নাই। ঈছাই ইতিহাসবিদ সকলে ৰছুলে পাক (ছাঃ)ক গালি দিছে কিন্তু হজৰত উমৰ (ৰাঃ)ৰ প্ৰশংসা কৰিছে। এনে ব্যক্তিত্বৰ লোকেও যিয়ে সদায় ৰছুলুল্লাহ (ছাঃ)ৰ সঙ্গ লাভ কৰিছিল; মৃত্যুৰ সময়ত ইচ্ছা প্ৰকাশ কৰিছিল যে ৰছুলে কৰিম (ছাঃ)ৰ চৰণ তলত যেন তাৰ ঠাই মেলে।

হজৰত উমৰ (ৰাঃ)ৰ মৃত্যুৰ সময়ত এখেত (ৰাঃ)ৰ বয়স ৬৩ বছৰ হোৱা বুলি ছহী মুছলিম আৰু তিৰমিজি চৰিফত বৰ্ণনা কৰিছে। হজৰত আনছ বিন মালিক বৰ্ণনা কৰিছে যে মৃত্যুৰ সময়ত ৰছুলুল্লাহ (ছাঃ)ৰ বয়স হৈছিল ৬৩ বছৰ। হজৰত আবু বক্কৰ (ৰাঃ)ৰ মৃত্যুৰ সময়ত তেখেতৰও বয়স হৈছিল ৬৩। এনেদৰে হজৰত উমৰ (ৰাঃ)ৰ মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৬৩ বছৰ।

হজৰত উমৰ (ৰাঃ)ৰ পৱিত্ৰ লাচ মোবাৰকৰ শিতানত থিয় হৈ হজৰত আলি (ৰাঃ)য়ে কয় যে এখেত (ৰাঃ)য়ে এনেকুৰা কোনো ব্যক্তিক এৰি যোৱা নাই যে যিজনে মোৰ ওচৰত তেখেতকৈ মৰমৰ আৰু মই তাৰ আমলৰ দৰে নিজে আমল কৰিম। আল্লাহৰ শপত ! এই চাদৰত ঢাকি ৰখা মানৱ জনতকৈ বেছি পছন্দনীয় লোক মোৰ বাবে সম্পূৰ্ণ ভূমণ্ডলত দ্বিতীয় আৰু কোনো ব্যক্তি নাই। মই নবী কৰিম (ছাঃ)ৰ পৰা বহুবাৰ শুনিছো; তেখেত (ছাঃ)য়ে কৈছে যে মই আৰু আবু বক্কৰ আৰু উমৰে প্ৰবেশ কৰিছে; মই আৰু আবু বক্কৰ আৰু উমৰে ওলাইছো। এনেদৰে তেখেত (ছাঃ)য়ে বিভিন্ন পংক্তি কৈছে-

হজৰত আব্দুল্লাহ বিন মাছুদ (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ মৃত্যুৰ সময়ত কৈছিল যে এখেত (ৰাঃ) ইছলামৰ বাবে এখন হুচনে হাচিন (এখন কিতাপ) আছিল। যদি তেখেতৰ জ্ঞান তৰ্জুৰ এখন পাল্লাত ৰখা হয় আৰু বাকী সকলো মানৱৰ জ্ঞান আন এখন পাল্লাত ৰখা হয় তেন্তে হজৰত উমৰ (ৰাঃ)ৰ পাল্লা গধুৰ হ'ব। হজৰত হুজাইফা (ৰাঃ)য়ে কৈছে যে হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত ইছলামৰ উদাহৰণ সেই ব্যক্তিৰ দৰে আছিল,যিয়ে ধাৰাবাহিক ভাৱে উন্নতি (জয়ৰ) বাটত ধাবিত আছিল। হজৰত আব্দুল্লাহ বিন ছালাম কৈছে-হজৰত উমৰ (ৰাঃ) সত্যৰ বাবে দাতা আৰু মিছাৰ প্ৰতি কৃপণ আছিল। হজৰত উমৰ (ৰাঃ)ৰ মৃত্যুত ছঈদ বিন জায়েদে কান্দি কান্দি কৈছিল যে উমৰৰ মৃত্যুত ইছলামত এনেকুৰা শূন্যতাৰ জন্ম হ'ল যি কিয়ামতলৈ পূৰ্ণ নহ'ব।

হজৰত উমৰ (ৰাঃ)য়ে বিভিন্ন সময়জুৰি দহটা বিয়া কৰাইছিল; যিসকলৰ গৰ্ভত ন জন পুত্ৰ সন্তান আৰু চাৰিজনী কন্যা সন্তানৰ জন্ম হৈছিল। বিখ্যাত ফিৰঙ্গী এডৱাৰ্ড গবিনে লিখিছে যে হজৰত উমৰ (ৰাঃ)ৰ পৰহেজগাৰী আৰু নম্ৰতা আবু বক্কৰতকৈ কোনো গুণে কম নাছিল। হজৰত উমৰ (ৰাঃ)য়ে খেজুৰ আৰু জৱৰ ৰুটি খোৱা কৰিছিল। পানী তেখেতৰ একমাত্ৰ পান কৰা বস্তু আছিল।

মাইকেল এচ হাৰ্টে নিজৰ কিতাপ **দ্যা হান্ডৰেড ৫২** নম্বৰত হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰিছে। তেওঁ লিখিছে যে হজৰত উমৰ মুটামুটি মুছলমান সকলৰ সৰ্বশ্ৰেষ্ঠ খলিফা আছিল। উমৰ ৬৩৪ খৃষ্টাব্দৰ পৰা ৬৪৪ খৃষ্টাব্দলৈ খিলাফতত অধিষ্ঠিত আছিল। হজৰত উমৰৰ দহ বছৰীয়া খিলাফতত আৰবীয়ান সকলে আটাইতকৈ গুৰুত্বপূৰ্ণ বিজয় অৰ্জন কৰিছিল। যেনেকৈ হজৰত উমৰ (ৰাঃ)ৰ বিজয়ে প্ৰসাৰ লাভ কৰিছিল ঠিক তেনেকৈ এই বিজয় সমূহৰ স্থিতিও সুপ্ৰতিষ্ঠিত আছিল। হজৰত উমৰ (ৰাঃ)ৰ কৃতকাৰ্য্যতা নিঃসন্দেহ অনুকৰণীয় আৰু প্ৰভাৱশালী আছিল। হজৰত মহম্মদ (ছাঃ)ৰ পিছত এখেত (ৰাঃ)ৰ ইছলাম প্ৰচাৰৰ চাবি-কাঠি স্বৰূপ ব্যক্তিত্ব আছিল। হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত আৰবীয়ান সকলৰ বিজয় চাৰ্লেমন আৰু জুলিয়াছ ছিজাৰৰ তুলনাত আকাৰত বৃহৎ আৰু সময় অনুপাতে বহু বেছি গুৰুত্বপূৰ্ণ।

প্ৰফেছাৰ ফিলিপৰ টোকা মতে সজ সহানুভূতিশীল আৰু আঁহজৰত (ছাঃ)ৰ কাৰ্য্যকৰী আৰু দক্ষ উত্তৰাধিকাৰী প্ৰতিনিধি হজৰত উমৰ (ৰাঃ)বলিষ্ঠ সুদৃঢ় শৰীৰৰ অধিকাৰী লোক আছিল। এখেত (ৰাঃ)য়ে এজন সন্নাসীৰ দৰে অতি সৰল জীৱন-যাপন কৰিছিল। তেখেতৰ সৰ্বোত্তম চৰিত্ৰ সকলো প্ৰজ্ঞাবান প্ৰতিনিধিৰ বাবে অনুকৰণীয় আদৰ্শ হৈ পৰিছে।

হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনাৰ ধাৰাবাহিকতা আগলৈ আৰু চলিব বুলি উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে তলত উল্লেখিত মৰহুমিন সকলৰ চমু পৰিচয়েৰে নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

প্ৰথম চাহাবজাদী আচফা মাছুদা বেগম চাহিবা পত্নী ডক্টৰ মিৰ্জা মোবাশ্বিৰ আহমদ চাহাব। তাই হজৰত মছীহ মাওউদ (আঃ)ৰ নাতিনী আৰু হজৰত নৱাব মোবাৰকা বেগম চাহিবা আৰু হজৰত নৱাব মহম্মদ আলি খান চাহাবৰ একেবাৰে সৰু চাহাবজাদী আছিল। হুজুৰ (আইঃ)য়ে কয় যে মোৰ সৈতে তেখেতৰ বিভিন্ন সম্পৰ্ক আছিল; এফালে মোৰ আইতাৰ ভনী আনফালে মাহী আকৌ পেহী সম্পৰ্কও আছিল। এই সকলোবোৰ আত্মীয় সম্পৰ্ক থকা সত্বেও তাই কৈছিল মই কেৱল খলিফা ওয়াক্তৰ খিদমত গোজাৰ হওঁ। তাই মৃত্যুৰ সময়ত এজন পুত্ৰ আৰু চাৰিজনী কন্যা সন্তান এৰি থৈ গৈছে। মৰহুমায় দৰিদ্ৰ সকলৰ অধীনস্থ সকলৰ আৰু আত্মীয় সকলৰ প্ৰতি বৰ দৃষ্টি ৰাখিছিল। হকুকুল্লাহ আৰু হকুকুল ইবাদতৰ অনুসাৰী আৰু খিলাফতৰ প্ৰতি প্ৰেম ৰখা মহিলা আছিল। ইবাদত আৰু ধন-মালৰ কোৰবাণীত আগবঢ়া আছিল।

দ্বিতীয় মকৰমা কালাৰা আয়া চাহিবা পত্নী ৰুলাল দায়েন বায়েক চাহাব (প্ৰাক্তন আমিৰ জামাত কাজাগিস্তান)
তৃতীয় মকৰম বেঙ কমাণ্ডৰ আব্দুৰ ৰাশিদ চাহাব (প্ৰাক্তন আমিৰ লিবিয়া)
চতুৰ্থ মকৰমা জুবেদ বেগম চাহিবা, পত্নী কৰিম আহমদ নঈম চাহাব আমেৰিকা; পঞ্চম মকৰম হাফিজ আহমদ যিমন চাহাব। আল্লাহ তা'লা মৰহুমিন সকলৰ মৰ্যাদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR [aba] 22 Oct 2021**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**